# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*

\- - - - - - - - - - - - - - - -

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰাকমুহূৰ্তত সকলো ৰাজনৈতিক দলৰ তীব্ৰতৰ প্ৰচাৰ অভিযান। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহৰ উত্তৰ প্ৰদেশৰ বিভিন্ন ঠাইত আৰু কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ বিহাৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ।

২। অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি আৰম্ভ।

৩। ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যজুৰি প্ৰবল বৃষ্টিপাত আৰু ধুমুহা। ৭খন জিলাত ৰেড এলাৰ্ট আৰু ১১খন জিলাত অৰেঞ্জ এলাৰ্ট ঘোষণা।

**আৰু**

৪। গ্ৰীষ্মকালীন ৰোগ প্ৰতিহত কৰিবলৈ বিভিন্ন জিলাত সজাগতা কাৰ্যসূচী গ্ৰহণ। শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণৰ তিনিচুকীয়াত ডায়েৰীয়া সদৃশ ৰোগ বিষয়ত বিশেষ বৈঠকত অংশগ্ৰহণ।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে সকলো ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ কুশীনগৰ, ছালেমপুৰ আৰু চাণ্ডৌলী লোকসভা সমষ্টিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কুশীনগৰৰ জনসাধাৰণক নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীশ্বাহে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনে দৰিদ্ৰতা দূৰীকৰণৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি দাবী কৰে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিৰ এটা ১০ বছৰীয়া সফল যাত্ৰাৰ লগতে ২৫ বছৰীয়া উন্নয়নৰ পৰিকল্পনা আছে বুলি মন্তব্য কৰি শ্ৰীশ্বাহে উত্তৰ প্ৰদেশৰ জনসাধাৰণক উন্নয়নমুখী যাত্ৰাৰ সহভাগী হ'বলৈ আহ্বান জনায়।

ইফালে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি বাৰানসীত বিভিন্ন নিৰ্বাচনী কাৰ্যসূচীত শিপিনী, মৃৎশিল্পী, ভোটাৰ তথা নাগৰিকৰ সৈতে মত-বিনিময় কৰে। জ্যেষ্ঠ বিজেপি নেতা ড০ মোহন যাদৱে আজি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ পাটনাত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়েও পাটনা চাহিব সংসদীয় সমষ্টিত আৰু পাতলিপুত্ৰ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীয়ে শাসকপক্ষক তীব্ৰ সমালোচনা কৰি কংগ্ৰেছ আৰু আই এন ডি আই মিত্ৰজোঁটে সংবিধান সুৰক্ষাৰ খাতিৰত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা বুলি দাবী কৰে। নিৰ্বাচনী কাৰ্যসূচীসমূহত ৰাহুল গান্ধীৰ লগতে আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱ আৰু চি পি আই এম এলৰ নেতা দীপাংকৰ ভট্টাচাৰ্য উপস্থিত থাকে। আৰ জে ডি নেতা শ্ৰীযাদৱে আৰ জে ডি আৰু চি পি আই এম এলৰ প্ৰাৰ্থীৰ সমৰ্থনত জেহানাবাদ, পাতলিপুত্ৰ আৰু আৰাহ সংসদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইফালে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি হিমাচল প্ৰদেশৰ বিভিন্ন ঠাইত নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰে।

আনহাতে জনতা দল ইউনাইটেডৰ সভাপতি আৰু মুখ্যমন্ত্ৰী নীতিশ কুমাৰে নালন্দা সংসদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ooooo

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে প্ৰশাসনে প্ৰস্তুতিৰ বুজ ল'বলৈ বৈঠকত মিলিত হৈছে।

ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে তৎপৰ হৈ উঠিছে। গণনাৰ বাবে নিয়োজিত বিষয়া, মাইক্ৰ'অবজাৰ্ভৰ, সহকাৰী বিষয়াকে ধৰি সংশ্লিষ্টসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ আজি ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। যোৱা ২৪ মে'ত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। একেদৰে তিনিচুকীয়া জিলাত ভোট গণনাৰ দায়িত্ব নিৰ্বাহ কৰিবলগীয়া বিষয়া কৰ্মচাৰীসকলৰ বাবে আজি এটা বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলাখনৰ বৰদলৈ নগৰত থকা তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত চাৰি শতাধিক বিষয়া-কৰ্মচাৰীয়ে অংশ লয়। প্ৰশিক্ষণ কালত ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো বিষয় বিতংকৈ ব্যাখ্যা কৰা হয়। উল্লেখযোগ্য যে তিনিচুকীয়া জিলা প্ৰশাসনে প্ৰথমবাৰৰ বাবে সৰ্বানন্দ সিংহ ষ্টেডিয়ামত ভোটগণনা কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰত তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ডিগবৈ, তিনিচুকীয়া, মাকুম আৰু ডুমডুমা বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। প্ৰতিটো সমষ্টিৰ বাবে ১৪খন টেবুলৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিখন টেবুলত একোগৰাকীকৈ গণনা তত্বাৱধায়ক, গণনা সহকাৰী আৰু একোজন মাইক্ৰ'অবজাৰ্ভাৰ থাকিব। অহা ৩১ মে'ত তেওঁলোকৰ আন এটা পৰ্যায়ত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ইপিনে মাৰ্ঘেৰিটা মহকুমাধিপতি আৰু শদিয়া মহাকুমাধিপতিৰ কাৰ্যালয়ত মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। অহা ৪ জুনৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

কাৰ্বি আংলং জিলাৰ ডিফু লোকসভা সমষ্টিত ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। কাৰ্বি আংলং, বোকাজান, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও নিৰ্বাচনী জিলাত পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। ডিফুৰ আই এছ্ বি টি, বোকাজান চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পশ্চিম কাৰ্বি আংলঙৰ হামৰেণ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডিমা হাচাও আয়ুক্ত কাৰ্যালয়ত ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ডিফু আই এছ বি টি ভোটগণনাৰ বাবে তিনিটা কক্ষ সাজু কৰা হৈছে। ১৪ খন টেবুলত ভোটগণনা কৰা হ'ব আৰু প্ৰায় ৫ হাজাৰ ৫০০ ডাক বেলটৰ ভোট গণনা কৰা হ'ব।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ছগৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০

কেইবাদিনীয়া উৎকট গৰমৰ পাছত পূব মধ্য বংগোপ সাগৰত বিকশিত হোৱা ঘূৰ্ণী বতাহৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচণ্ড ধুমুহা-বৰষুণ আৰম্ভ হৈছে। ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি বন্ধ ৰখা হৈছে। অভ্যন্তৰীণ জল পৰিবহণ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি কাইলৈও এই সেৱা বন্ধ থাকিব। সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰহ্মপুত্ৰত ব্যক্তিগত নাৱৰ চলাচলো বন্ধ কৰা হৈছে। একেদৰে শিৱসাগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশ অনুসৰি যিকোনো ধৰণৰ সম্ভাব্য দুৰ্ঘটনা প্ৰতিহত কৰিবলৈ সতৰ্কবাণী জাৰি কৰা হৈছে। এই অনুযায়ী জিলাখনত সকলো ফেৰী সেৱা পৰিচলনা কৰা বিভাগ আৰু ব্যক্তিগত নাও, জাহাজক আজি আৰু কাইলৈ এই সেৱা বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে অত্যাৱশ্যকীয় সেৱা, সাহায্য আৰু উদ্ধাৰ অভিযান কাৰ্যসূচীসমূহক এই নিৰ্দেশত সামৰি লোৱা হোৱা নাই। এই সময়ছোৱাত ব্ৰহ্মপুত্ৰ নদী আৰু উপ নদীসমূহত মাছ ধৰাৰ লগতে সাঁতোৰকে ধৰি জলক্ৰীড়াসমূহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া নিৰ্দেশনা অনুযায়ী ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগে কেইবাখনো জিলাত ৰেড আৰু অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। এই অনুযায়ী চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা হাছাও, কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙত অৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

তামুলপুৰ জিলাত জাৰি কৰা অৰেঞ্জ এলাৰ্ট অনুযায়ী জিলা প্ৰশাসনে এই সময়ছোৱাত নদীকেন্দ্ৰিক মাছমৰা, সাঁতোৰা, নৈৰ দাঁতিত ফটো তোলা বা প্ৰমোদ বিহাৰ কৰাৰ দৰে কাৰ্যৰ পৰা ৰাইজক বিৰত থাকিবলৈ আহ্বান জনাইছে। ইয়াৰ লগতে বানৰ সময়ছোৱাত নিত্য প্ৰয়োজনীয় সামগ্ৰী, কাপোৰ, খাদ্য বস্তু, শিক্ষাৰ্থীৰ কিতাপ-পত্ৰ ইত্যাদি মজুত ৰাখিবলৈও জিলা প্ৰশাসনে আহ্বান জনাইছে। বিপদগ্ৰস্ত লোকক তাৎক্ষণিক সহায়ৰ বাবে ০৩৬২৪১০০ অথবা ৯৩৮৭৮-৯৩৩৯৪ নম্বৰত যোগাযোগ কৰিবলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। ইফালে গোৱালপাৰা জিলাতো ঘোষণা কৰা ৰেড এলাৰ্ট অনুযায়ী ৰেমলৰ পৰা হ'ব পৰা সম্ভাব্য বিপদ প্ৰতিহত কৰিবলৈ জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা তথা সতৰ্কতামূলক পৰামৰ্শ জাৰি কৰিছে। এই অনুযায়ী ৰেড এলাৰ্টৰ সময়ছোৱাত যিকোনো ধৰণৰ জলক্ৰীড়াৰ পৰা জনসাধাৰণক বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ লগতে মাছমৰীয়াসকলক এই সময়ছোৱাত নৈ-বিল অথবা অন্য জমা হৈ থকা পানীত মাছ মাৰিবলৈ যোৱাত বাধা আৰোপ কৰা হৈছে। ব্ৰহ্মপুত্ৰ নদীত নাৱৰ চলাচল বন্ধ কৰাৰ লগতে কৃষকসকলক কৃষি কাৰ্যৰ বাবে খেতি পথাৰলৈ বা পশুধন লৈ মুকলি পথাৰলৈ যোৱাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। যিকোনো জৰুৰীকালীন সেৱাৰ বাবে ১১২, ১০৭০ আৰু ১০৭৭ ফোন নম্বৰ কেইটা ২৪ ঘণ্টাৰ বাবে খোলা থাকিব বুলি জিলা প্ৰশাসনে ঘোষণা কৰিছে। ইয়াৰ লগতে জনসাধাৰণক যিকোনো আপাতকালীন পৰিস্থিতিৰ বাবে কমেও ৭ দিনজোৱাকৈ ৰেচন আৰু অন্যান্য জৰুৰীকালীন সামগ্ৰীসমূহ মজুত ৰাখিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

০০০০০

তিনিচুকীয়া জিলাত ডায়েৰীয়া সদৃশ ৰোগত কেইবাজনো চাহ শ্ৰমিকৰ মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে চাহ বাগিচাসমূহৰ পৰিচালক তথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। এই ৰোগ প্ৰতিৰোধ কৰাৰ লগতে পৰিত্ৰাণৰ বাবে তৎপৰতাৰে

যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সংশ্লিষ্ট সকলোকে শ্ৰম মন্ত্ৰীগৰাকীয়ে বৈঠকত নিৰ্দেশ দিয়ে। লেতেৰা পানীৰ পৰা হ'ব পৰা ৰোগ প্ৰতিৰোধৰ কাৰণে জল জীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক মন্ত্ৰী কিষাণে নিৰ্দেশ দিয়ে। ইয়াৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া শৌচাগাৰসমূহৰ কামো অতি সোনকালে সম্পূৰ্ণ কৰিবলৈ তেওঁ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ জাৰি কৰে। আনহাতে স্বাস্থ্য বিভাগৰ পৰা চাহ বাগিচাবোৰৰ বিভিন্ন চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰসমূহত মুঠ ৮১ গৰাকী সামুহিক স্বাস্থ্য অধিকাৰী নিযুক্তি দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আনহাতে ৰাজ্যৰ বিভিন্ন জিলাসমূহত বৃদ্ধি পোৱা গ্ৰীষ্মকালীন ৰোগৰ পৰিপ্ৰেক্ষিতত জিলাসমূহৰ স্বাস্থ্য বিভাগে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। যোৰহাট জিলাত ভাইৰেল জ্বৰ, ডায়েৰীয়াকে ধৰি গ্ৰীষ্মকালীন ৰোগৰ প্ৰাৰ্দুভাৱৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলা প্ৰশাসনে জিলা স্বাস্থ্য বিভাগৰ প্ৰত্যক্ষ নিৰ্দেশনাত সকলো আশাকৰ্মী আৰু স্বাস্থ্য অনুষ্ঠানসমূহৰ জৰিয়তে জিলাখনৰ প্ৰতিখন গাঁৱত এনে ৰোগৰ জৰীপ কাৰ্যসূচী আৰম্ভ কৰিছে। জিলাখনৰ বিদ্যালয়, নামঘৰ, অন্যান্য ৰাজহুৱা স্থান, চাহ বাগান অধ্যুষিত অঞ্চল ইত্যাদিত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে বয়োজ্যেষ্ঠ লোক আৰু শিশুসকলৰ কাৰণে স্বাস্থ্য পৰীক্ষা শিবিৰ, তেজৰ নমুনা সংগ্ৰহ, বিনামূলীয়া ঔষধ প্ৰদান, আঁঠুৱা ঔষধিকৰণ ইত্যাদি কাৰ্যসূচী হাতত লোৱা হৈছে।

ইফালে জাপানী এনকেফেলাইটিছৰ প্ৰাৰ্দুভাৱৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ হস্তক্ষেপত উজনিৰ জিলাসমূহলৈ গুৱাহাটীৰ পৰা স্বাস্থ্য বিশেষজ্ঞৰ এটা দল প্ৰেৰণ কৰা হৈছে।

০০০০০

ডিব্ৰুগড় জিলাত অহা ২৮ মে'ৰ পৰা ৩ জুনলৈ হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কমপাৰ্টমেণ্টেল পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলা দণ্ডাধীশ বিক্ৰম কৈৰীয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰাৰ অধীনত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ জিলাখনত কেতবোৰ নিষেধাজ্ঞা বলৱৎ হ'ব। এই নিষেধাজ্ঞা অনুসৰি পৰীক্ষাকেন্দ্ৰৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীলভাৱে কোনো লোকৰ প্ৰৱেশ নিষেধ কৰা হৈছে। ছাত্ৰ-ছাত্ৰী, পৰীক্ষাত নিয়োজিত বিষয়া, আইন শৃংখলা তথা জৰুৰীকালীন সেৱাত নিয়োজিত চৰকাৰী বিষয়া কৰ্মচাৰীসকলকহে এই নিষিদ্ধ এলেকাত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হ'ব। পৰীক্ষা কেন্দ্ৰৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ এই অঞ্চলটোত কোনো খাদ্যৰ বিপণী খোলাৰ অনুমতি দিয়া নহ'ব। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব আৰু কোনো ব্যক্তিয়ে এই নিষেধাজ্ঞা উলংঘা কৰিলে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হৈছে।

০০০০০

ৰে'লৱে সুৰক্ষা বাহিনী চমুকৈ আৰ পি এফে ৰে'লযোগে জালনোট সৰবৰাহৰ আন এটা প্ৰচেষ্টা আজি প্ৰতিহত কৰিবলৈ সমৰ্থ হয়। আৰ পি এফৰ এটা দলে কামাখ্যা ৰে'লৱে ষ্টেচনত ৪ নম্বৰ প্লেটফৰ্মত অভিযান চলাই আজি জালনোটসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। উত্তৰ প্ৰদেশ নিবাসী ধৃত সৰবৰাহকাৰী কেইজনৰ পৰা আৰ পি এফে ৫ লাখ ৭১ হাজাৰ ৫০০ টকাৰ জালনোট উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। জালনোটসমূহ সৰবৰাহকাৰী কেইজনে ক'ৰ পৰা আনিছিল সেই সন্দৰ্ভত ৰে'লৱে আৰক্ষীৰ দলটোৰ জেৰা অব্যাহত ৰাখিছে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ চাংখাটিত আৰক্ষীয়ে বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ তিনিটা সৰবৰাহকাৰীক আটক কৰিছে। গোলাঘাট আৰক্ষীয়ে চলোৱা এই অভিযানত প্ৰায় ডেৰ কোটি টকা মূল্যৰ

হেৰ'ইন জব্দ কৰাৰ লগতে সৰবৰাহকাৰীকেইটাক আটক কৰা হয়। সৰবৰাহকাৰী দলটোৱে ডিমাপুৰৰ পৰা এখন বাহনত ৪০ টা চাবোনৰ বাকচত হেৰ'ইনখিনি লুকুৱাই আনিছিল। লোক কেইজনক সম্প্ৰতি মেৰাপানী আৰক্ষীৰ জিম্মাত ৰাখি জেৰা কৰি থকা হৈছে।

যোৰহাট জিলাৰ তিতাবৰত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত টেবলেট আৰু হেৰ'ইন জব্দ কৰে। আৰক্ষীয়ে এই সন্দৰ্ভত এজন লোকক আটক কৰিছে। এই লোকজনে মোকক চাঙৰ পৰা মৰিয়নি হৈ এই নিচাযুক্ত সামগ্ৰিখিনি কঢ়িয়াই আনিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

বঙাইগাঁও জিলাৰ পশুপালন বিভাগে জিলাখনত জলাতংক ৰোগ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে পথত ঘুৰি ফুৰা কুকুৰবোৰক জলাতংকৰ প্ৰতিষেধক প্ৰদানৰ অভিযান আৰম্ভ কৰিছে। যোৱা মাৰ্চ মাহৰ পৰা অব্যাহত থকা এই অভিযানত তিনি শতাধিক পথৰ কুকুৰক প্ৰতিষেধক দিয়া হৈছে। এই অভিযানত ১২ গৰাকী পশু চিকিৎসক আৰু ৩৯ গৰাকী ক্ষেত্ৰ সহায়ক নিয়োজিত হৈছে।

০০০০০

২ জুনত আৰম্ভ হ'বলগীয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে অধিনায়ক ৰোহিত শৰ্মাসহ ভাৰতীয় খেলুৱৈৰ প্ৰথমটো দল ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হৈছে। দলটোত ৰোহিত শৰ্মাৰ উপৰি যশপ্ৰীত বুমৰাহ, সূৰ্য কুমাৰ যাদৱ, ৰবীন্দ্ৰ জাদেজা, শিৱম ডুবে, মহম্মদ ছিৰাজ, অৰ্শদীপ সিং, খলিল আহমেদ, কুলদীপ যাদৱ, অক্ষৰ পেটেল, মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় আৰু বেটিং প্ৰশিক্ষণ বিক্ৰম ৰাথোৰ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৱেষ্ট ইণ্ডিজে ২ জুনৰ পৰা ২৯ জুনলৈ যুটীয়াভাৱে টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতে নিউয়ৰ্কৰ নৱনিৰ্মিত নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ৫ জুনত আয়াৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। ইয়াৰ উপৰি গ্ৰুপ পৰ্যায়ত ভাৰত ৯ জুনত পাকিস্তানৰ, ১২ জুনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ১৫ জুনত কানাডাৰ সন্মুখীন হ'ব। উল্লেখযোগ্য যে মূল প্ৰতিযোগিতাৰ পূৰ্বে আজিৰে পৰা বিভিন্ন দলৰ মাজত প্ৰস্তুতি খেলসমূহ অনুষ্ঠিত হ'ব। ভাৰতে ১ জুনত বাংলাদেশৰ বিৰুদ্ধে প্ৰস্তুতি খেলত অৱতীৰ্ণ হ'ব।

০০০০০

এছ ডি আৰ এফে আজি গুৱাহাটীৰ পানীখাইটীত তামুলবাৰীৰ সমীপৰ ব্ৰহ্মপুত্ৰত সন্ধানহীন হোৱা চিন্ময় পাঠক নামৰ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। আজি পুৱাৰে পৰা এছ ডি আৰ এফে চলোৱা অভিযানত যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে যদিও সন্ধানহীন আনজন যুৱকক এই পৰ্যন্ত উদ্ধাৰ কৰিব পৰা নাই। উল্লেখযোগ্য যে কালি বিয়লি গুৱাহাটীৰ পাথৰকুৱেৰী অঞ্চলৰ পৰা ১০ জনীয়া যুৱকৰ এটা দল ব্ৰহ্মপুত্ৰৰ পাৰলে গৈছিল। ইয়াৰে  চাৰিজন যুৱক নদীত গা ধুবলৈ নমাৰ সময়তে দুজনক ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতে উটুৱাই লৈ যায়। সন্ধানহীন আনজন যুৱক অৰ্জুন নাথ বুলি জানিব পৰা গৈছে।

০০০০০

নগাঁৱৰ দক্ষিণ হয়বৰগাঁও নিবাসী ধৰ্মপ্ৰাণা মহিলা ভূৱনেশ্বৰী দেৱীৰ আজি দুপৰীয়া গুৱাহাটীত হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮১ বছৰ। নগাঁৱৰ পেটবঢ়া গাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত দেৱীয়ে আজীৱন ধৰ্মীয় তথা সামাজিক কাম-কাজত জড়িত হৈ আছিল।

০০০০০

সমাপ্ত